**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত আজি ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত এই আঁচনি উদ্বোধন কৰে। অনুষ্ঠানত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকে। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ লাভ কৰিব।

**ৰাইট (চি এম)**

ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব।

তামুলপুৰ জিলাতো আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত সুলভ মূল্যৰ মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণৰ আজি শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই আঁচনিৰ শুভাৰম্ভ কৰে। ইয়াৰ অধীনত জিলাখনৰ ৩৮৩ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৯৭ হাজাৰ ৯১৭ টা পৰিয়াল উপকৃত হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউ জিলাত এখন নতুন গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। এই বিশ্ববিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাৰ উপৰি বাণিজ্য আৰু ব্যৱসায় ব্যৱস্থাপনা পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব আৰু এই বিষয়ত বিশ্ববিদ্যালয়খনক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া বিধানসভাৰ অধিৱেশনত চুকাফা বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধেয়ক উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই ৰাজ্যত বহু বিবাহ নিষিদ্ধ কৰাৰ বাবে **অসম বহু বিবাহ প্ৰতিৰোধ বিধেয়ক ২০২৫** বিধানসভাত উত্থাপনৰ বাবে অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিধেয়ক অনুসৰি পত্নী জীৱিত থকা অৱস্থাত বিবাহ বিচ্ছেদ নোহোৱাকৈ আন এগৰাকী বিবাহ কৰোৱা পুৰুষসকলে ৭ বছৰ পৰ্যন্ত কাৰাবাস খাতিব লাগিব। একেদৰে বহু বিবাহৰ বলি হোৱা নিৰ্যাতিতা মহিলা সকলকো আৰ্থিকভাৱে ক্ষতিপূৰণ প্ৰদানৰ বাবেও ব্যৱস্থা লোৱা হ'ব বুলিও ড০ শৰ্মাই উল্লেখ কৰে। অৱশ্যে ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহ তথা অনুসূচিত জনজাতিৰ লোকসকল এই বিধেয়কৰ আওঁতাৰ বাহিৰত থাকিব।

মন্ত্ৰীসভাই শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ আৰু হোজাই জিলাৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ বাবে ৪০৭টা ভূমি নিষ্পত্তিৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি অসমৰ বিদ্যুৎ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে

ৰাজ্যত সম্প্ৰতি চলি থকা আৰু আহিবলগীয়া শক্তি প্ৰকল্পসমূহৰ বাবে অনুমোদিত মূলধন বৃদ্ধিৰ ক্ষেত্ৰতো অনুমোদন জনোৱা হয়।মন্ত্ৰীসভাই উত্তৰ গুৱাহাটীৰ ৰংমহলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ‘ষ্টেট অৱ আৰ্ট জুডিচিয়েল টাউনশ্বিপ’ৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্যৰ বাবে ৪৭৮ কোটি ৭৮ লাখ টকাৰ পুঁজিত প্ৰশাসনিক অনুমোদন জনায়।

মন্ত্ৰীসভাই বিশ্বকাপ বিজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সদস্যা উমা চেত্ৰীলৈ এই কৃতিত্বৰ স্বীকৃতিস্বৰূপে ২৫ লাখ টকা আগবঢ়োৱাৰ কথাও ঘোষণা কৰে।

০০০০০০০

প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, উদ্যোগী ডঃ নৰেন্দ্ৰ নাথ দত্ত আৰু এল ডি ছ’য়ানলৈ ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে এইবাৰ ৰাধা গোবিন্দ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট ব্যক্তিকেইগৰাকীক এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দি আছাম ট্ৰিবিউন গ্ৰুপৰ পৰিচালন সঞ্চালক ববিতা ৰাজখোৱা উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ৰাজ্যপালে বঁটা লাভ কৰা আটাইকেইগৰাকী ব্যক্তিকে নিজ নিজ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ভূয়সী প্ৰশংসা কৰে। ভাষণ প্ৰসংগত তেওঁ কয়, যে বঁটা লাভ কৰা আটাইকেইগৰাকীয়ে নতুন প্ৰজন্মৰ বাবে সাহস আৰু অনুপ্ৰেৰণাৰ উৎস হৈ ৰ’ব। সমাজৰ হকে কৰা তেওঁলোকৰ কৰ্মৰাজিত অসমৰ বিভিন্ন ক্ষেত্ৰৰ উজ্জীৱিত দিশসমূহ প্ৰতিফলিত হয়। ৰাজ্যপাল শ্ৰী আচাৰ্যই লগতে আছাম ট্ৰিবিউন গ্ৰুপক সাংবাদিকতাৰ ক্ষেত্ৰত ৮টা দশকজুৰি আগবঢ়াই অহা সবল সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। নগাঁও জিলাৰ কলিয়াবৰৰ শিলঘাটৰ ৰাসথলীত কালি ইংলেণ্ড, স্কটলেণ্ডকে ধৰি বহিঃৰাষ্ট্ৰৰ পৰা অহা ১৭ জনীয়া পৰ্যটকৰ এটা দলে ৰাসলীলা উপভোগ কৰে। নদীপথেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকৰ দলটোৱে নিশা শিলঘাটত নদীৰ বুকুত জাহাজতে অতিবাহিত কৰাৰ পাছত আজি পুৱা পুনৰ কাজিৰঙা দৰ্শনৰ বাবে যাত্ৰা কৰে। ইপিনে বাক্সা জিলাত ৯২ সংখ্যক পূব খাগ্ৰাবাৰী ৰাস মহোৎসৱত জীৱন্ত ৰাসলীলাই অগণন লোকক মুগ্ধ কৰিছে। এই ৰাসলীলা উপভোগ কৰিবলৈ বহু লোকৰ সমাগম হৈছে।

০০০০০০

**সমাপ্ত**